**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-01-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

নলবাৰী জিলাৰ বিল্বেশ্বৰ দেৱালয়ৰ বাকৰিত অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধ্যকালীন অধিবেশন কালিৰে পৰা অনুষ্ঠিত হৈছে। বিশিষ্ট নাট্যকাৰ তথা অসম নাট্য সন্মিলনৰ প্ৰাক্তন সম্পাদক ৰমেশ কুমাৰ হালৈয়ে এই অধিবেশন উদ্বোধন কৰে। অধিবেশনৰ আজি দ্বিতীয় দিনা কেন্দ্ৰীয় বিষয়ববীয়া, মণ্ডল আৰু জিলা সমিতিৰ বিষয়ববীয়া আৰু কেইবাগৰাকী নাট্যকৰ্মীয়ে ৬১ খন পতাকা উত্তোলন কৰে। মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তথা চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই আজি অধিবেশনৰ প্ৰথমখন সভা উদ্বোধন কৰিব। সভাত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাস আৰু বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থকাৰ কথা।

oooooo

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাৰ আজি তৃতীয় দিনা গোভা ৰজা দীপসিং দেওৰজাই দ্বিতীয়খন ৰাজদৰবাৰ অনুষ্ঠিত কৰিব। এই ৰাজদৰবাৰত মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাই অংশগ্ৰহণ কৰিব। গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকি ৰূপত কৰ সংগ্ৰহৰ পাছতে তিনিদিনীয়া এই মেলাৰ সামৰণি পৰিব।

oooooo

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ এটা দল আজি প্ৰয়াগৰাজৰ মহাকুম্ভ মেলালৈ ৰাওনা হৈছে। এই উপলক্ষ্যে আজি পুৱা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা উলিওৱা ভাগৱত শোভাযাত্ৰাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অংশগ্ৰহণ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি

উলিয়াইছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব।

0000000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সমূহীয়া অনাতাঁৰ কেন্দ্ৰ বিষয়ক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাটাও সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ উপস্থাপকসকলে অংশগ্ৰহণ কৰিব। ষ্টুডিঅ'ত থাকিব সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ এগৰাকী অন্যতম বাটকটীয়া ভাস্কৰজ্যোতি আচাৰ্য আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰ।

0000000

লক্ষিমপুৰ জিলাৰ ফুলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰাক্তন সতীৰ্থ সন্মিলনৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে সমূহীয়া চাফাই অভিযান, গছপুলি ৰোপণ আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্তৰংগ আলাপ, আমন্ত্ৰিত শিল্পীৰ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনৰ লগতে অঞ্চলটোৰ শৈক্ষিক সামাজিক দিশ সন্দৰ্ভতো আলোচনা কৰে।

00000

ইণ্ডিয়ান ছুপাৰ লীগৰ কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আজি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱে কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। শেহতীয়া তিনিখন খেলত ড্ৰ খেলা নৰ্থ ইষ্ট ইউনাইটেডৰ বাবে আজিৰ খেলখন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ২৪ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত থকা নৰ্থ ইষ্ট ইউনাইটেডে ইয়াৰ পূৰ্বে গুৱাহাটীত কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে ড্ৰ খেলিছিল। 000000